কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

হাউচফেড কম্প্লেক্স, দিছপুৰ, গুৱাহাটী-৭৮১ ০০৬

উদ্যান শস্যৰ ব্যৱসায়িক নার্ছাৰী পৰিচালনাৰ চার্টিফিকেট পাঠ্যক্রম

খণ্ড ৩

ব্যৱহাৰিক কার্যৱলীৰ হাতপুথি

ব্যৱহাৰিক কার্য তালিকা—

অধ্যায় ১ ঃ ব্যৱসায়িক নার্ছাৰীৰ পৰিকল্পনা
অধ্যায় ২ ঃ নার্ছাৰীত ব্যৱহৃত বিভিন্ন সা-সঁজুলি চিনাক্তকৰণ
অধ্যায় ৩ ঃ বীজতলী প্রস্তুতকৰণ, বীজ সিঁচা আৰু শাক-পাচলি আৰু ফুলৰ পুলি উৎপাদন
অধ্যায় ৪ ঃ শাক-পাচলি আৰু ফুল পুলি উৎপাদনৰ লাভালাভ
অধ্যায় ৫ ঃ কাটিঙৰ দ্বাৰা বংশ বিস্তাৰ
অধ্যায় ৬ ঃ গ্রাফটিং বা জোৰা কলমৰ দ্বাৰা বংশ বিস্তাৰ
অধ্যায় ৭ ঃ ইন্দ্রমালতী আৰু ডালিয়া ফুলৰ বংশ বিস্তাৰ
অধ্যায় ৮ ঃ জালুক আৰু পাণৰ বংশ বিস্তাৰ
অধ্যায় ৯ ঃ নাৰিকল আৰু তামোলৰ পুলি উৎপাদন
অধ্যায় ১০ঃ ব্যৱসায়িক নার্ছাৰী পৰিদর্শন

খণ্ড পৰিচয়

এই খণ্ডটোত উদ্যান শস্যৰ নার্ছাৰী এখনত সচৰাচৰ কৰি থকা কার্যবোৰৰ ভিতৰত কেইটামান কার্যৰ অনুশীলনী কৰিব দিয়া হৈছে। ব্যৱসায়িকভিত্তিত নার্ছাৰী এখন প্ৰতিষ্ঠা কৰাৰ বাবে আপুনি কিছুমান প্ৰাৰম্ভিক পৰিকল্পনা কৰা দৰকাৰ। এই সম্পৰ্কে আপুনি এটা অনুশীলনী কৰিব লাগিব। ফল, ফুল, শাক-পাচলিকে ধৰি বিভিন্ন উদ্যান শস্যবোৰৰ পুলি বা ৰোপণ সামগ্ৰী উৎপাদন কৰাটো এখন নার্ছাৰীৰ মুখ্য কাম। এনেবোৰ কামৰ ভিতৰত কেইবিধমান অতি গুৰুত্বপূৰ্ণ ফুল আৰু বাগিচা শস্যৰ পুলি উৎপাদন বা প্ৰজননৰ পদ্ধতি আয়ত্ত কৰাৰ বাবে আপোনাক অনুশীলনী কৰিব দিয়া হৈছে। লগতে ক্ষেত্ৰভিত্তিক জ্ঞান আৰু অভিজ্ঞতাৰ বাবে আপুনি কেইখনমান নার্ছাৰী পৰিদৰ্শন কৰি তাৰ ওপৰত টোকা প্ৰস্তুত কৰিবলৈ কোৱা হৈছে। মুঠ ১০টা ব্যৱহাৰিক কার্য সন্নিৰিষ্ট এই খণ্ডটোৰ জৰিয়তে আপোনাক কিছুমান কাম হাতে-কামে কৰিবলৈ সক্ষম কৰি তোলাৰ লগতে নার্ছাৰীৰ ব্যৱসায়ৰ এটা আভাস দিবলৈ যত্ন কৰা হৈছে।